**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-06-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::***

সমগ্ৰ দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰৰ্তন কেন্দ্ৰত আয়োজিত যোগ দিৱসৰ মূল অনুষ্ঠানত অংশগ্ৰহণ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ মণিপুৰ, অৰুণাচল প্ৰদেশ, নাগালেণ্ডতো যোগ দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়।

ৰাজ্যত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হয়। ৰাষ্ট্ৰীয় আয়ুষ মিছনৰ উদ্যোগত গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দোৰ ষ্টেডিয়ামত আয়োজিত যোগ দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়া, মন্ত্ৰী অজন্তা নেওগ আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই অংশ গ্ৰহণ কৰে।

তেজপুৰৰ চাৰ্চ ফিল্ডত আয়োজিত যোগ দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী অশোক সিংহাল, কেশৱ মহন্ত, বিধায়ক পৃথ্বীৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু আদিয়ে অংশ গ্ৰহণ কৰে।

তিনিচুকীয়াৰ মানৱ কল্যাণ পূজা ভৱনত আয়োজিত কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলী, তিনিচুকীয়াৰ বিধায়ক মন্ত্ৰী সঞ্জয় কিষানো এই অনুষ্ঠানত উপস্থিত থাকে।

গোৱালপাৰা জিলা প্ৰশাসনে জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত এই দিৱস পালন কৰে। এই কাৰ্যসুচীত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলি কলিতা মেধি আৰু জিলা উপায়ুক্ত খনিন্দ্ৰ চৌধুৰীৰ লগতে অনান্য বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। আনহাতে,বৰপেটাৰ জিলা গ্ৰামীণ উন্নয়ন অভিকৰণৰ প্ৰেক্ষাগৃহত জিলা প্ৰশাসনৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। নলবাৰী মহাবিদ্যালয়ত যোগ দিৱস উপলক্ষে জিলা প্ৰশাসনৰ দ্বাৰা আয়োজিত অনুষ্ঠানত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা উপস্থিত থাকে।

বঙাইগাওঁ জিলা প্ৰশাসন আৰু ৰাষ্ট্ৰীয় আয়ুষ অভিযান বঙাইগাওঁ উদ্যোগত চিলাৰায় ইন্দোৰ ষ্টেডিয়ামত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হয়। অনুষ্ঠানত জিলা ভিত্তিক যোগ প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়।

উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়ৰ খেলঘৰত অনুষ্ঠিত কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকাই ভাগ লয়। কাৰ্বি আংলঙত ডিফু কাছা ইণ্ডʼৰ ষ্টেডিয়ামত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে অংশগ্ৰহণ কৰে। যোৰহাটত আৰক্ষী চাৰনিত, ধুবুৰীত গুৰুদ্বাৰ প্ৰাংগনত, চৰাইদেউত জিলা ৰাজহুৱা খেলপথাৰ ষ্টেডিয়ামত যোগ দিৱসৰ কাৰ্যসূচী আয়োজন কৰে। ইপিনে তামোলপুৰত আয়োজিত

অনুষ্ঠানত বিধায়ক জলেন দৈমাৰীয়ে ভাগ লোৱাৰ লগতে বাক্সাৰ পূব খাগ্ৰাবাৰী ৰাস মন্দিৰ প্ৰাংগন, বঙাইগাওঁ,কোকৰাঝাৰ, নগাঁও, মাজুলী আদিটো যোগ দিৱস উদযাপন কৰা হয়। ¯

ইফালে দেশৰ লগতে বিদেশৰো বিভিন্ন ঠাইত আজি দশম যোগ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। সমগ্ৰ নেপালতে আজি পুৱাৰ ভাগতে যোগাসনৰ অভ্যাস কৰা হয়। কাঠমাণ্ডুত থকা ভাৰতীয় দুতাবাসে পতঞ্জলি যোগপীঠ আৰু পোখাড়া মহানগৰৰ সহযোগত যোগাসন কাৰ্যসূচীৰ আয়োজন কৰে।

০০০০০০০

শক্তিপীঠ কামাখ্যা ধামত কাইলৈৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। এই মেলা নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে ৰাজ্য চৰকাৰ, কামৰূপ মহনাগৰ জিলা প্ৰশাসন আৰু অম্বুবাচী মহাযোগ পৰিচালনা সমিতিয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে কাইলৈ পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ হৈ পৰিব। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। সমিতিয়ে প্ৰকাশ কৰা মতে আজিৰে পৰা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা নাথাকিব। একেদৰে ২৬ জুনৰ পৰা ২৭ জুনলৈ বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব।

ইতিমধ্যে দেশী-বিদেশী, বিভিন্ন বেশ-ভূষাৰ সাধু,সন্নাসী তথা ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে।

উল্লেখযোগ্য যে ভক্তসকল যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কামাখ্যা ৰেল ষ্টেচন আৰু পাণ্ডু ঘাটত দুটাকৈ আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। তদুপৰি প্ৰশাসনৰ অনুমতি লাভ কৰা বিভিন্ন স্বেচ্ছাসৱী সংগঠনে ভক্তসকলক খাদ্য যোগান ধৰিব।

অম্বুবাচী মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ নীলাচল পাহাৰক ধূমপানমুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। সুৰাপান অথবা অন্য নিচাযুক্তদ্ৰব্য সেৱন কৰা কোনো লোকক দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে প্ৰকাশ কৰা মতে এইবেলি মেলাত অংশ লোৱা ভক্তসকলৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইতিমধ্যে কামাখ্যা মন্দিৰত ৪০০ গৰাকী স্কাউট, ১৫০ গৰাকী স্বেচ্চাসেৱক, ১২০ গৰাকী নিয়মীয়া সুৰক্ষা কৰ্মীৰ লগতে ২৫০ গৰাকী অতিৰিক্ত ব্যক্তিগত সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। তদুপৰি কামাখ্যা মন্দিৰৰ চৌপাশে ৪০০ টা চি চি টি ভি স্থাপন কৰা হৈছে।

ইপিনে, কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে কাইলৈৰ পৰা ২৬ জুনলৈ কোনোধৰণৰ পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ বিদ্যালয়সমূহক আহ্বান জনাইছে। জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়লৈ এই জাননী জাৰি কৰা হৈছে। কোনো বিদ্যালয়ে যদি অম্বুবাচী মেলাৰ দিনকেইটাত পৰীক্ষা দিন ধাৰ্য কৰিছে তেন্তে সেয়া সাল-সলনি কৰিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। অম্বুবাচী মেলালৈ লাখ লাখ ভক্তৰ সমাগমৰ ফলত ছাত্ৰ-ছাত্ৰীৰ যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ  নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **নতুন ফৌজদাৰী আইনৰ অধীনত মহিলা সম্পৰ্কীয় বিষয় সন্দৰ্ভত** আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অধিবক্তা চাহিনা নাজনিন অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামী আৰু অনুজা লোপামুদ্ৰাই। আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ ফোন নম্বৰ যোগে অতিথিৰ সৈতে কথা পাতিব পাৰিব।

ঃঃ সমাপ্ত ঃঃ